# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

অসমকে ধৰি উত্তৰ-পূবৰ আঠোখন ৰাজ্যৰ লগতে দেশৰ মুঠ ১৫খন ৰাজ্যৰ দুৰ্যোগ প্ৰশমন আৰু সামৰ্থ্য বৃদ্ধি প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে এহেজাৰ ১১৫ কোটিৰো অধিক টকা আবণ্টনত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাৰ এখন উচ্চ পৰ্যায়ৰ সমিতিয়ে এই পুঁজিৰ অনুমোদন দিয়ে। সমিতিখনে উত্তৰ-পূৰ্বাঞ্চলৰ ৮ খন ৰাজ্যৰ বাবে ৩৭৮ কোটি, উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশৰ বাবে ১৩৯ কোটি টকাকৈ, মহাৰাষ্ট্ৰৰ বাবে ১০০ কোটি, কৰ্ণাটক আৰু কেৰালাৰ বাবে ৭২ কোটি টকাকৈ আৰু তামিলনাডু আৰু পশ্চিমবংগৰ বাবে ৫০ কোটি টকাকৈ অনুমোদন দিছে। উচ্চ পৰ্যায়ৰ সমিতিখনে লগতে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ১১৫ কোটিৰো অধিক টকা ব্যয়েৰে প্ৰশিক্ষণ আৰু সামৰ্থ বৃদ্ধিৰ অন্য এটা প্ৰকল্পতো অনুমোদন জনাইছে। গৃহ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ মোকাবিলা কৰিব পৰা এখন ভাৰতবৰ্ষ গঢ়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন বাস্তৱায়িত কৰাৰ উদ্দেশ্যে মন্ত্ৰালয়ে ভালেমান পদক্ষেপ লৈছে। দুৰ্যোগত হ'ব পৰা ক্ষতিৰ আশংকা হ্ৰাস কৰাৰ ব্যৱস্থা সুদৃঢ় কৰি প্ৰাকৃতিক বিপৰ্যয়ৰ সময়ত ধন-জনৰ ব্যাপক হানি ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে চলিত বৰ্ষত ৰাজ্যসমূহলৈ ইতিমধ্যে ২১ হাজাৰ ৪৭৬ কোটিৰো অধিক টকা মোকলাই দিয়া বুলি ঘোষণা কৰিছে।

ooooo

যোৰহাটৰ পৰা ডিব্ৰুগড় সংযোগী ৰাষ্ট্ৰীয় ঘাইপথচোৰা উন্নীতকৰণৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত আজি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ দপ্তৰৰ মন্ত্ৰী নীতিন গাডকাৰীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক পত্ৰযোগে অৱগত কৰে। পত্ৰখনত উল্লেখ কৰা অনুসৰি এই প্ৰকল্পটোৰ কাম ক্ষিপ্ৰ কৰি তোলাৰ বাবে ১১জন ঠিকাদাৰক মোতায়েন কৰা হৈছে। এই প্ৰকল্পৰ অধীনত যান-বাহন পাৰ হৈ যোৱাৰ বাবে ৯টা অধঃপথ বা আণ্ডাৰপাছ, পথচাৰীৰ বাবে ছটা আণ্ডাৰপাছ আৰু এখন উৰণ সেঁতুৰ লগতে ভালেমান আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে পথটোৰ বাকী থকা কামখিনি শীঘ্ৰেই সম্পূৰ্ণ হ'ব বুলি আশা প্ৰকাশ কৰে।

ooooo

দেশ-বিদেশৰ দুই শতাধিক প্ৰতিনিধিৰ অংশগ্ৰহণেৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হৈছে। এই মেলাত অংশ ল'বলৈ অহা শতাধিক বিদেশী পৰ্যটকে আজি চৰাইদেউ মৈদাম পৰিদৰ্শন কৰে। পৰ্যটকসকলে মৈদামত উপস্থিত তেওঁলোকে টাই-আহোম পৰম্পৰাগত

ফুৰালুঙৰ লগতে অসমীয়া খাদ্যভাস তথা সংস্কৃতিৰ আভাস লয়। পৰ্যটকৰ দলটোৱে শিৱসাগৰত উপস্থিত হৈ ৰংঘৰৰ লগতে আহোম কীৰ্তিস্তম্ভসমূহ পৰিদৰ্শন কৰে। শিৱসাগৰৰ পৰা দলটোৱে কাজিৰঙা অভিমুখে ৰাওনা হয়।

ooooo

তিনিচুকীয়া জিলাৰ মাকুম পৌৰসভাৰ অন্তৰ্গত সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ নামফলকত অসমীয়া ভাষা ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। অসমীয়া ভাষাত নামফলক ডাঙৰকৈ লিখাৰ লগতে অন্যান্য ভাষাত সৰু আখৰেৰে লিখিব লাগিব। অহা ৩১ ডিচেম্বৰৰ পৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকীয়ে এই নিৰ্দেশ মানিব লাগিব। মাকুম পৌৰসভাই এখন জাননীযোগে এই কথা প্ৰকাশ কৰিছে।

ooooo

ভাৰতৰ শ্বেত বিপ্লৱৰ জনক হিচাপে পৰিচিত ডঃ ভাৰ্গিজ কুৰিয়েনৰ জয়ন্তীৰ লগত সংগতি ৰাখি আজি দেশজুৰি ৰাষ্ট্ৰীয় দুগ্ধ দিৱস পালন কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই দিৱসৰ সৈতে সংগতি ৰাখি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ দুগ্ধ উন্নয়ন সঞ্চালকালয়, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰী অতুল বৰাই অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে শৰীৰৰ বাবে গাখীৰৰ উপযোগিতাৰ বিষয়ে উল্লেখ কৰাৰ লগতে দুগ্ধ ক্ষেত্ৰত উত্তৰণৰ পোষকতা কৰে। বিশ্বৰ মুঠ দুগ্ধ উৎপাদনত প্ৰায় ২৫ শতাংশ অৰিহণা যোগাই ভাৰতে উল্লেখনীয় স্থান দখল কৰিছে বুলি তেওঁ মত প্ৰকাশ কৰে।

অনুষ্ঠানৰ সৈতে সংগতি ৰাখি অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাৰ গোপাল তথ্য শীৰ্ষক এটি মোবাইল এপ মুকলি কৰা হয়। এই এপৰ জৰিয়তে পশু পালকসকলে পশুধনৰ স্বাস্থ্য, প্ৰতিকাৰমূলক ব্যৱস্থা, টীকাকৰণ, বিশেষজ্ঞৰ পৰামৰ্শ সহজে লাভ কৰিব পাৰিব। অনুষ্ঠানটোত দুগ্ধ উৎপাদনৰ দিশত অৱদান আগবঢ়োৱা বিভিন্ন প্ৰান্তৰ ভালেকেইগৰাকী কৃষকক সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য ৰাজ্যৰ পশুপালন খণ্ডটোৰ জৰিয়তে দুই লাখতকৈ অধিক লোকে নিজৰ জীৱিকাৰ পথ মুকলি কৰি আহিছে। অনুষ্ঠানত মন্ত্ৰী অতুল বৰাই পশুপালন তথা দুগ্ধ খণ্ডক বাণিজ্যিকিকৰণ কৰি নতুন প্ৰজন্মৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ আহ্বান জনায়।

ooooo

সমাপ্ত